R.N. Regn. No- ASSASS/2011/38477

নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ চতুৰ্দশ বছৰ সংখ্যা ৩৫২ শনিবাৰ ২১ কাতি ১৯৪৭ শক ৮ নৱেম্বৰ ২০২৫ চন ASOMIYA KHABAR JORHAT SATURDA

r
() from the Indian
st in the following
ons/Stipulations
ial Work,
puter Applications;
rs domain
Development &
s
nics/Social Science

## ডিব্ৰুগড় কানৈ কলেজত 'বন্দে মাতৰম্'ৰ ডেৰশ বছৰ পূৰ্তি পালন

ষ্টাফ্ ৰিপৰ্টাৰ, ডিব্ৰুগড, ৭ নৱেম্বৰ ঃ বন্দে মাতৰম্ শব্দ দুটাত আছে দেশক ভালপোৱাৰ, মাতৃভূমিক ভালপোৱাৰ, দেশপ্ৰেমৰ অসীম শক্তি। এই গীতটি ভাৰতীয় জাতীয় জীৱনৰ, ৰাষ্ট্ৰীয় জীৱনৰ হৃদয়ৰ অমৰ সুৰ। কানৈ মহাবিদ্যালয়ত বন্দে মাতৰম্‌ৰ ডেৰশ বছৰ পূৰ্তি উপলক্ষে অনুষ্ঠিত হোৱা অনাড়ম্বৰ সভাখনত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এইদৰে কয়। বন্দে মাতৰম্ প্ৰকৃততে ভাৰতবাসীৰ প্ৰতি, দেশক ভালপোৱা, মানুহক ভালপোৱাৰ এক আহ্বান বুলি উল্লেখ কৰি তেওঁ কয়— ইয়াত দেশৰ সুন্দৰ নদ-নদী, পাহাৰ, ফুলনি, শস্য তথা সেউজীয়া প্ৰকৃতিৰ প্ৰতি ভালপোৱা প্ৰকাশ পাইছে। তেওঁ বংকিমচন্দ্ৰ চট্টোপাধ্যায়ৰ এই আহ্বানে দেশৰ প্ৰতি ত্যাগ, সাহস আৰু ঐক্যৰ এক সৃজনীধাৰা বোৱাই আহিছে বুলি কয়। দেশমাতৃৰ প্ৰতি গভীৰ ভালপোৱা, স্বাধীনতাৰ প্ৰতীক বুলি উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে চট্টোপাধ্যায়ৰ অনন্য সৃষ্টি এই গীতত ভাৰতীয় জাতীয় চেতনা, সংস্কৃতি আৰু ভক্তিৰ অনন্য সুন্দৰ প্ৰতিচ্ছবি বুলি সদৰী কৰি ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীসকলক দেশক ভাল পাবলৈ আহবান জনায়। অধ্যাপিকা ড° চয়নিকা গোস্বামীয়ে আঁতধৰা সভাত উপাধ্যক্ষ ড° পাৰ্থ গাংগুলীয়ে উদ্দেশ্য ব্যাখ্যা কৰে। শৈক্ষিক ভাৰপ্ৰাপ্ত ড° মৰমী তালুকদাৰৰ উপৰি বিভাগৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী উপস্থিত থাকে। নীভা লাহনৰ লগতে কেইবাগৰাকী শিক্ষাৰ্থীয়ে দেশক কিয় ভালপোৱা উচিত সেই সন্দৰ্ভত বক্তৃতা প্ৰদান কৰে।

ADVERTISEMENT FOR AWARDING SCHOLARSHIP (FRESH) UNDER COMBINED MERIT
(DEGRE